**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-10-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি য়োজনা আৰু দাইল উৎপাদনত আত্মনিৰ্ভৰশীলতা অভিযানে দেশৰ লাখ লাখ খেতিয়কৰ ভাগ্য সলনি কৰিব বুলি মন্তব্য কৰিছে।

২। আধাৰ আধাৰিত ডিজিটেল পৰিচয় ব্যৱস্থা আৰু প্ৰধানমন্ত্ৰী গতিশক্তি ৰাষ্ট্ৰীয় পৰিকল্পনাই সেৱা প্ৰদান ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰিছে বুলি কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু পেঞ্চন দপ্তৰৰ ৰাজ্যমন্ত্ৰী জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ভাৰতত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নৱ-নিযুক্ত ৰাষ্ট্ৰদূত চাৰ্জিঅ' গ'ৰৰ সৈতে ভাৰত আৰু আমেৰিকাৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰে।

৪। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মান্দাভিয়াই আজি বিশ্ব পেৰা এথলেটিকছ্ চেম্পিয়নশ্বিপত পদক অৰ্জন কৰা ভাৰতীয় খেলুৱৈসকলক নতুন দিল্লীত সম্বৰ্ধনা জনায়।

***আৰু***

৫। নতুন দিল্লী টেষ্টৰ আজি দিনৰ খেলৰ সামৰণিৰ পৰলৈকে ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত ৪টা উইকেটৰ বিনিময়ত ১৪০ ৰাণ সংগ্ৰহ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি য়োজনা আৰু দাইল উৎপাদনত আত্মনিৰ্ভৰশীলতা অভিযানে দেশৰ লাখ লাখ খেতিয়কৰ ভাগ্য সলনি কৰিব বুলি মন্তব্য কৰিছে। নতুন দিল্লীত আয়োজিত বিশেষ অনুষ্ঠানত কৃষি আৰু আনুসংগিক খণ্ডৰ ৪২ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান আঁচনি আৰু

প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে আজি উদ্বোধন কৰা আঁচনিসমূহে গ্ৰামাঞ্চলৰ সৱলীকৰণ আৰু কৃষি উদ্ভাৱনৰ ক্ষেত্ৰত আত্ম-নিৰ্ভৰশীলতাৰ এটা নতুন যুগৰ সূচনা কৰিব। তেওঁ লগতে দেশৰ কৃষি ব্যৱস্থাৰ দ্ৰুত উন্নয়ন আৰু সংস্কাৰৰ আৱশ্যকতাৰ বিষয়ে আলোকপাত কৰে।

এন ডি এৰ শাসনকালত লাভ কৰা বিভিন্ন সাফল্যৰ বিষেয় আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে বিগত ১১ বছৰত ভাৰতৰ কৃষিজাত ৰপ্তানি প্ৰায় দুগুণলৈ বৃদ্ধি পাইছে আৰু দেশত খাদ্য সামগ্ৰীৰ উৎপাদন প্ৰায় ৯ কোটি মেট্ৰিকটনলৈ বৃদ্ধি পাইছে। এই সময়ছোৱাত দেশত ফলমূল আৰু শাক-পাচলিৰ উৎপাদনো ৬৪০ লাখ মেট্ৰিকটন হোৱা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে ভাৰত সম্প্ৰতি গাখীৰ উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ এক নম্বৰ স্থানত আছে আৰু মাছ উৎপাদনৰ ক্ষেত্ৰত দ্বিতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে দেশত নতুনকৈ ছটা সাৰ কোম্পানী স্থাপন কৰা হৈছে আৰু বিগত ১১ বছৰত ২৫ কোটি ভূমি স্বাস্থ্য কাৰ্ড বিতৰণ কৰা হৈছে।

০০০০০

সমূহীয়া ভৱিষ্যৎ গঢ় দিব পৰা প্ৰযুক্তি নিৰ্মাণ কৰিবলৈ ভাৰতত অভূতপূৰ্ব প্ৰতিভাৰ অভাৱ নাই বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে আজি নতুন দিল্লীত কোৱালকʼমৰ অধ্যক্ষ তথা মুখ্য কাৰ্য্যবাহী বিষয়া কৃষ্টি য়ানো আৰ অমনোৰ সৈতে হোৱা বৈঠকত এইদৰে প্ৰকাশ কৰে। বৈঠকত তেওঁলোকে কৃত্ৰিম বুদ্ধিমত্তা, উদ্ভাৱন আৰু দক্ষতাৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰে। বৈঠকৰ অন্তত প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে ভাৰতত অৰ্ধ পৰিবাহী আৰু কৃত্ৰিম বুদ্ধিমত্তা অভিযানৰ প্ৰতি কোৱালকʼমৰ প্ৰতিশ্ৰুতিৰদ্ধতাৰ শলাগ লয়। কোৱালকʼম অৰ্ধ পৰিবাহী আৰু তাঁৰবিহীন দূৰসংযোগ সামগ্ৰী নিৰ্মাণৰ বাবে জনাজাত আমেৰিকাৰ এটা বহুজাতিক কোম্পানী।

০০০০০

আধাৰ আধাৰিত ডিজিটেল পৰিচয় ব্যৱস্থা আৰু প্ৰধানমন্ত্ৰী গতিশক্তি ৰাষ্ট্ৰীয় পৰিকল্পনাই সেৱা প্ৰদান ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰিছে বুলি কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু পেঞ্চন দপ্তৰৰ ৰাজ্যমন্ত্ৰী জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি নতুন দিল্লীত আয়োজিত ভাৰতীয় ৰাজহুৱা প্ৰশাসন প্ৰতিষ্ঠানৰ প্ৰযুক্তি আৰু অৰ্থনৈতিক সহযোগিতা কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি এইদৰে কয়। ড০ সিঙে কয়, যে প্ৰযুক্তি সুলভ হৈ পৰিছে আৰু স্বচ্ছতা তথা উত্তৰ দায়িত্ব নিশ্চিতকৰণৰ আটাইতকৈ ফলপ্ৰসূ আহিলাৰূপে পৰিগণিত হৈ উঠিছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি নতুন দিল্লীত ভাৰতত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নৱ-নিযুক্ত ৰাষ্ট্ৰদূত চাৰ্জিঅʼ গʼৰৰ সৈতে ভাৰত আৰু আমেৰিকাৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে কয়, যে তেওঁ আলোচনাকালত শ্ৰীগʼৰক নতুন দায়িত্বৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। শ্ৰীগʼৰে লগতে বিদেশ সচিব বিক্ৰম মিশ্ৰীকো সাক্ষাৎ কৰে। তেওঁলোকে ভাৰত আৰু আমেৰিকাৰ মাজৰ

সৰ্বাত্মক গোলকীয় কৌশলগত সহযোগিতা আৰু উমৈহতীয়া অগ্ৰাধিকাৰৰ বিষয়ে ফলপ্ৰসূভাৱে আলোচনা কৰা বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ooooo

বিহাৰৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে আসনৰ ভাগ-বাটোৱাৰা চূড়ান্ত কৰাৰ বাবে এন ডি এ মিত্ৰজোটৰ নেতাসকলৰ আলোচনা অব্যাহত আছে। সম্প্ৰতি নতুন দিল্লীত দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাৰ বাসগৃহত বিজেপিৰ মূল কমিটিৰ এখন বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী আৰু বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ উপস্থিত আছে। বৈঠকত বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে এন ডি এৰ মিত্ৰ দলসমূহৰ মাজত আসনৰ ভাগ-বাটোৱাৰৰ লগতে বিজেপিৰ সম্ভাব্য প্ৰাৰ্থীৰ বিষয়ে আলোচনা হোৱাৰ কথা আছে। বিৰোধী মহা মিত্ৰজোটৰ নেতাসকলৰ মাজতো বিধানসভা নিৰ্বাচনক লৈ ব্যস্ততাপূৰ্ণ আলোচনা চলি আছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ আমন্ত্ৰণ ক্ৰমে মংগোলিয়াৰ ৰাষ্ট্ৰপতি খুৰেলছুখ উখনা  সোমবাৰে চাৰিদিনীয়া ভ্ৰমণসূচী লৈ নতুন দিল্লীলৈ আহিব। ৰাষ্ট্ৰপতি হিচাপে এয়া হ'ব তেওঁৰ প্ৰথম ভাৰত ভ্ৰমণ। তেওঁৰ লগত কেবিনেট মন্ত্ৰী, সাংসদ, জ্যেষ্ঠ চৰকাৰী বিষয়া, আগশাৰীৰ ব্যৱসায়ী আৰু সাংস্কৃতিক প্ৰতিনিধিৰে গঠিত এটা উচ্চ পৰ্যায়ৰ দলো আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে ভোজমেলৰ আয়োজন কৰিব। ৰাষ্ট্ৰপতি উখনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কক লৈ আলোচনা কৰিব। তেওঁ উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন , প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু বৈদেশক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰকো সাক্ষাৎ কৰাৰ কথা।

ooooo

ভাৰত আৰু ইউৰোপীয় মুক্ত বাণিজ্য সংস্থাৰ মাজত চলিত মাহৰ পৰা কাৰ্য্যকৰী হোৱা বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতাৰ চুক্তি দেশৰ বৈদেশিক বাণিজ্য নীতিৰ উল্লেখনীয় পদক্ষেপ হিচাপে স্বীকৃত হৈছে। এই চুক্তিখন হৈছে চাৰিখন উন্নত ইউৰোপীয় দেশ, ছুইঝাৰলেণ্ড, নৰৱে, আইচলেণ্ড আৰু লিচটেনষ্টাইনৰ সৈতে ভাৰতৰ প্ৰথমখন মুক্ত বাণিজ্য চুক্তি। উল্লেখযোগ্য যে, এই চুক্তিৰ জৰিয়তে  ভাৰতত অহা ১৫ বছৰত ১০০ বিলিয়ন আমেৰিকান ডলাৰ বিনিয়োগ কৰাৰ লগতে প্ৰায় ১০ লাখ কৰ্ম-সংস্থাপনৰ সৃষ্টি কৰাৰ পৰিকল্পনা কৰা হৈছে।

ooooo

পাকিস্তানৰ খাইবাৰ পাখটুনখোৱাৰ ডেৰা ইছমাইল খানস্থিত ৰত্না কুলাচি আৰক্ষী প্ৰশিক্ষণ বিদ্যালয়ক লক্ষ্য কৰি সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত ৬ জন সন্ত্ৰাসবাদী আৰু ৭ জন আৰক্ষী কৰ্মী নিহত হৈছে। সন্ত্ৰাসবাদীয়ে যোৱা নিশা বিস্ফোৰক সামগ্ৰীৰে থাহ খাই থকা এখন গাড়ীৰে বিদ্যালয়ৰ চৌহদত খুন্দা মাৰি নিৰ্বিচাৰে গুলীবৰ্ষণ কৰাৰ পাছত দুয়ো পক্ষৰ মাজত সূত্ৰপাত হোৱা গুলিয়াগুলীত আন ১৩ জন লোক আহত হয়।

ooooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মান্দাভিয়াই আজি বিশ্ব পেৰা এথলেটিকছ চেম্পিয়নশ্বিপত পদক অৰ্জন কৰা ভাৰতীয় খেলুৱৈসকলক নতুন দিল্লীত সম্বৰ্ধনা জনায়। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে অসাধাৰণ ক্ৰীড়া মানসিকতা, একাগ্ৰতাৰ সৈতে ঐতিহাসিক খেল প্ৰদৰ্শনেৰে দেশলৈ গৌৰৱ কঢ়িয়াই অনা দলটোৰ উচ্চ প্ৰশংসা কৰে। এই দলটোৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নতুন ভাৰতৰ লক্ষ্য আৰু উদ্দেশ্যক আগবঢ়াই নিয়াৰ লগতে দেশৰ বিশেষভাৱে সক্ষম লোকসকললৈ এটা গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰিছে বুলিও শ্ৰীমান্দাভিয়াই কয়। উল্লেখযোগ্য যে, নতুন দিল্লীত অনুষ্ঠিত হোৱা এইবাৰৰ বিশ্ব পেৰা এথলেটিকছ চেম্পিয়নশ্বিপত ভাৰতে নিজৰ শ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াইছে। দলটোৱে ছটা সোণ, ৯ টা ৰূপ আৰু ৭ টা ব্ৰঞ্জৰ পদকৰ সৈতে সৰ্বমুঠ ২২ টা পদক অৰ্জন কৰিছে।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোত অনুষ্ঠিত এখন খেলত ইংলেণ্ডে শ্ৰীলংকাক জয়ৰ বাবে ২৫৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯ টা উইকেট হেৰুৱাই ২৫৩ ৰাণ কৰে।

ইংলেণ্ড বৰ্তমান পইণ্ট তালিকাৰ দ্বিতীয় স্থানত থকাৰ বিপৰীতে শ্ৰীলংকা সপ্তম স্থানত আছে।

০০০০০

ভাৰতৰ জুনিয়ৰ পুৰুষ হকী দলে আজি মালয়েছিয়াৰ জহৰ বাহৰুত অনুষ্ঠিত চুলতান জহৰ কাপ হকী প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত যোৱা বাৰৰ চেম্পিয়ন ব্ৰিটেইনক ৩-২ গ'লত পৰাস্ত কৰে। খেলখনত ভাৰতৰ হৈ অধিনায়ক ৰোহিতে দুটা আৰু ৰবনীত সিঙে এটা গ'ল দিয়ে। এইবাৰৰ প্ৰতিযোগিতাত ভাৰত, ব্ৰিটেইন, নিউজিলেণ্ড, পাকিস্তান, অষ্ট্ৰেলিয়া আৰু মালয়েছিয়াই অংশগ্ৰহণ কৰিছে। ৰাউণ্ড ৰবীন পৰ্য্যায়ত আটাইকেইটা দল পৰস্পৰৰ সন্মুখীন হ'ব। ৰাউণ্ড ৰবীন পৰ্য্যায়ৰ শীৰ্ষৰ দল দুটাৰ মাজত ১৮ অক্টোবৰত চূড়ান্ত খেল অনুষ্ঠিত হ'ব।

০০০০০

ৱেষ্ট ইণ্ডিজে ভাৰতৰ বিৰুদ্ধে নতুন দিল্লীত অনুষ্ঠিত চলিত ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টৰ আজি দ্বিতীয় দিনৰ খেলৰ সামৰণিৰ পৰলৈকে ৪টা উইকেটৰ বিনিময়ত প্ৰথম ইনিংছত ১৪০ ৰাণ সংগ্ৰহ কৰে। খেল সামৰণিৰ পৰত ছাইহ'কে ৩১ আৰু টেভিন ইমাকে ১৪ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে ভাৰতে ৫ উইকেটৰ বিনিময়ত ৫১৮ ৰাণ কৰা অৱস্থাত প্ৰথম ইনিংছ সমাপ্তিৰ কথা ঘোষণা কৰে। ভাৰতৰ হৈ যশস্বী জয়ছোৱালে ১৭৫ ৰাণ কৰে। শুভমন গীলে ১২৯ কৰি আউট নোহোৱাকৈ থাকে। ছাই সুদৰ্শনে ৮৭, নীতিশ ৰেড্ডীয়ে ৪৩ আৰু উইকেট কীপাৰ ধ্ৰুৱ জুৰেলে ৪৪ ৰাণৰ বৰঙণি আগবঢ়ায়।

০০০০০

সমাপ্ত